**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ বন্দৰ ছেৰী বেগৱানত দেশখনৰ ছুলতান হাজি হাছানাল বোল্কিয়াৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। দুই দেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকী আজি ছিংগাপুৰ অভিমুখে ৰাওনা হৈছে।

২। অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

৩। নাগালেণ্ডৰ চুমুকেডিমাত যোৱা নিশা হোৱা ভূমিস্খলনৰ ফলত ৪ জন লোক মৃত্যুমুখত পৰে। প্ৰচণ্ড বৰষুণৰ বাবে ৰাজ্যখনৰ ৰাজধানী কোহিমাৰ সৈতে ডিমাপুৰক সংযোগ কৰা ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ একাংশ সম্পূৰ্ণৰূপে খহি গৈ চহৰ দুখনৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰিছ পেৰালিম্পিকছত পদক অৰ্জন কৰা বাবে স্বাগত কুমাৰ, মাৰিয়াপ্পান থাংগাৱেলু, অজিত সিং আৰু সুন্দৰ সিঙক অভিনন্দন জনাইছে। **আৰু**

৫। লখিমপুৰত আজি অসম চৰকাৰৰ কেবিনেট বৈঠকৰ আয়োজন কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ বন্দৰ ছেৰী বেগৱানত দেশখনৰ ছুলতান হাজি হাছানাল বোল্কিয়াৰ সৈতে আলোচনাত মিলিত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, ছুলতান হাজি হাছানাল বোল্কিয়াক সাক্ষাৎ কৰি তেওঁ আনন্দ অনুভৱ কৰিছে। তেওঁলোকৰ বৈঠকত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ব্যৱস্থাকে ধৰি ভালেমান বিষয়ে স্থান লাভ কৰে বুলি তেওঁ জানিবলৈ দিয়ে। ভাৰত আৰু ব্ৰুনেইৰ মাজত বাণিজ্যিক সম্পৰ্কৰ লগতে জনসাধাৰণৰ মাজৰ আদান-প্ৰদানৰ ব্যৱস্থা অধিক সম্প্ৰসাৰিত হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। উভয় দেশৰ মাজৰ সম্পৰ্কৰ লগতে এক্ট-ইষ্ট নীতিক অধিক কাৰ্যকৰী কৰাৰ হকে গঠনমূলক আলোচনাত ভাগ লোৱাৰ লগতে প্ৰতিৰক্ষা, বাণিজ্য আৰু বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি আদি বিভিন্ন দিশ সামৰি দ্বিপাক্ষিক বিষয়ক লৈ দুয়োগৰাকী নেতাই মত বিনিময় কৰে। তদুপৰি পৰস্পৰৰ স্বাৰ্থ জড়িত আঞ্চলিক আৰু গোলকীয় বিভিন্ন বিষয়ক লৈও তেওঁলোকে আলোচনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ মন্তব্যত, ব্ৰুনেইক ভাৰতৰ এক্ট-ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ সহযোগী বুলি অভিহিত কৰে আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীক উভয় দেশৰ উজ্বল ভৱিষ্যতৰ নিশ্চিতি হিচাপে আখ্যা দিয়ে। প্ৰধানমন্ত্ৰী হিচাপে নিজৰ তৃতীয়টো কাৰ্যকালৰ আৰম্ভণিত ব্ৰুনেই ভ্ৰমণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে এটা সুযোগ বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাৰ উপস্থিতিত উভয় দেশৰ মাজত ভালেমান বিষয়ক লৈ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ব্ৰুনেইৰ পৰিবহণ মন্ত্ৰী পেংগিৰান ডাট শ্বামহাৰি ডাট মুস্তাফাই এই চুক্তিত স্বাক্ষৰ কৰে। উভয় পক্ষৰ এই আলোচনাৰ পাছত এটা যুটীয়া বিবৃতি প্ৰকাশ কৰা হয়। আনহাতে ব্ৰুনেইৰ ছুলতানে প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে আজি দুপৰীয়া এখন চৰকাৰী ভোজমেলৰ আয়োজন কৰে। এই ভোজমেলত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজৰ সম্পৰ্কৰ ৪০ বছৰ পূৰ হোৱাৰ সময়তে উভয় পক্ষই পাৰস্পৰিক সহযোগিতাক অধিক মাত্ৰা প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

আনহাতে দুই দেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ৰ সামৰণি মাৰি দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকী আজি ছিংগাপুৰ অভিমুখে ৰাওনা হয়। দেশখনৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণক্ৰমে তেওঁ ছিংগাপুৰ ভ্ৰমণলৈ গৈছে।

০০০০০০০

অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে সত্ৰনগৰী বৰপেটাত পুৱাৰে পৰা কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱা গীত আৰু ভটিমাৰ অন্তত সত্ৰৰ মুখ্য পাঠকৰ নেতৃত্বত নৃত্য-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পাছতে ভাগৱত পাঠ, ঘোষা কীৰ্তন আৰু ব্যাহ কীৰ্তন সম্পন্ন হয়। বিয়লি বৃন্দাবন হাটীৰ ভকতসকলে কীৰ্তন মহোৎসৱ উপলক্ষে কৰভাৰ প্ৰদান কৰিব। এই কৰভাৰত ভকতসকলে হাটীৰ প্ৰথা অনুসৰি চাউল, কাচকল, কোঁমোৰা, মিঠাতেল, পাণ-তামোল আদি প্ৰদান কৰিব। ইফালে, কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰ গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। একেদৰে ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে শৰাই নৈবদ্য লৈ গুৰুজনাৰ ওচৰত সেৱা আগবঢ়ায়।

সত্ৰপীঠ মাজুলীতো গুৰুজনাৰ তিৰোভাৱ তিথি উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত নদীদ্বীপটোৰ সত্ৰ আৰু নামঘৰসমূহ পুৱাৰে পৰাই নাম-প্ৰসংগৰে মুখৰ হৈ পৰিছে। মাজুলীৰ ৩৫খন সত্ৰ আৰু তিনি শতাধিক নামঘৰ গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ ধ্বনিৰে মুখৰ হৈ পৰিছে বুলি আমাৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

নাগালেণ্ডৰ চুমুকেডিমাত যোৱা নিশা হোৱা ভূমিস্খলনৰ ফলত ৪ জন লোক মৃত্যুমুখত পৰে। আনহাতে প্ৰচণ্ড বৰষুণৰ বাবে ৰাজ্যখনৰ ৰাজধানী কোহিমাৰ সৈতে ডিমাপুৰক সংযোগ কৰা ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো দুঠাইত পানীয়ে সম্পূৰ্ণৰূপে ছিঙি পেলায়। ইয়াৰ ফলত ঘাইপথেৰে যাতায়াত বন্ধ হৈ পৰিছে।

কোহিমাত আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত চুমুকেডিমা জিলাৰ উপায়ুক্ত পলান জনে ভূমিস্খলনৰ ফলত ৪ জন লোকৰ মৃত্যুৰ বিষয়টো নিশ্চিত কৰাৰ লগতে অধিক লোক সন্ধানহীন হৈ থকাৰ আশংকা প্ৰকাশ কৰি অঞ্চলটোত উদ্ধাৰ অভিযান অব্যাহত থকা বুলি প্ৰকাশ কৰিছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে এই অভিযানত অংশগ্ৰহণ কৰা বুলি প্ৰকাশ কৰি উপায়ুক্তগৰাকীয়ে লগতে কয় যে, অঞ্চলটোত হোৱা প্ৰচণ্ড বৰষুণৰ

ফলত পথৰ কাষৰ ভালেমান বাসগৃহ, হোটেল আদি ক্ষতিগ্ৰস্ত হৈছে। অঞ্চলটোৰ পথ যোগাযোগ নিয়মীয়া কৰি তুলিবলৈ সময়ৰ প্ৰয়োজন হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

আনহাতে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'য়ে ধাৰাষাৰ বৰষুণৰ ফলত ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ক্ষতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছে। আনহাতে ৰাষ্ট্ৰীয় ঘাইপথৰ ভাগি যোৱা অংশ দুটা অতিশীঘ্ৰে মেৰামতি কৰি স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ সৈতে ৰাজ্য চৰকাৰে যোগাযোগ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

সঘনাই হৈ থকা বৰষুণৰ ফলত ভিন ভিন পথকে ধৰি বিভিন্ন অঞ্চল জলমগ্ন হোৱাৰ লগতে পথ নিৰ্মাণৰ কাম চলি থকাৰ পৰিপ্ৰেক্ষিতত ডিমা হাছাও জিলাৰ অন্তৰ্গত জাতিংগাৰ পৰা হাৰাংহাজাওৰ মাজত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কিছু পৰিমাণে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই অনুসৰি ২৪ ফুটতকৈ অধিক দৈৰ্ঘ্যৰ ট্ৰাক আৰু ট্ৰেইলাৰকে ধৰি ১২ চকীয়া অথবা তাতকৈ অধিক সংখ্যক চকাৰে চলাচল কৰা গধূৰ বাণিজ্যিক যান-বাহনৰ চলাচল এই পথছোৱাত সাময়িকভাৱে নিষিদ্ধ কৰা হৈছে। বৰাক উপত্যকালৈ অহা-যোৱা কৰিবলগীয়া এনেধৰণৰ গধূৰ যান-বাহনসমূহ পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত মেঘালয় হৈ ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰোৱাৰ বাবে অনুৰোধ জনোৱা হৈছে বুলি অসম আৰক্ষীৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰিছ পেৰালিম্পিকছত পদক অৰ্জন কৰা বাবে শাৰদ কুমাৰ, মাৰিয়াপ্পান থাংগাৰেলু, অজিত সিং আৰু সুন্দৰ সিঙক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পেৰিছ পেৰালিম্পিকছৰ পুৰুষৰ হাই জাম্পত ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰা স্বাগত কুমাৰ আৰু মাৰিয়াপ্পান থাংগাৰেলুক অভিনন্দন জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, তেওঁলোকৰ এই প্ৰাপ্তি হৈছে সুন্দৰ ধাৰাবাহিক প্ৰদৰ্শনৰ উদাহৰণ। তেওঁ কয় যে, তেওঁলোকৰ এই সফলতাই সকলোকে প্ৰেৰণা যোগাব।

পুৰুষৰ জেভলিন থ্ৰ'ত অজিত সিং আৰু সুন্দৰ সিং গুৰজাৰে ৰূপৰ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কৈছে যে, তেওঁলোকৰ এই পদক বিজয়ে সুমিত আন্তিলৰ সোণৰ পদকৰ পাছত জেভলিন থ্ৰ'ত ভাৰতৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। তেওঁ দুয়োগৰাকীয়ে খেলুৱৈৰে দেশৰ হৈ আৰু পদক জয় কৰি গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অজিত সিং আৰু সুন্দৰ সিং গুৰজাৰৰ এই বিজয়ৰ বাবে তেওঁলোকৰ আত্মোৎসৰ্গ মনোভাৱক প্ৰশংসা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ভাৰতে তেওঁলোকৰ বাবে গৌৰৱ অনুভৱ কৰিছে। তেওঁ খেলুৱৈ দুয়োগৰাকীয়ে ভৱিষ্যতে আৰু অধিক সন্মান কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰাৰ

লগতে তেওঁলোকলৈ অভিনন্দন জ্ঞাপন কৰে। শাৰদ কুমাৰ আৰু মাৰিয়াপ্পান থাংগাৱেলুক অভিনন্দন জনাই তেওঁ কয় যে, দেশে তেওঁলোকৰ বিজয়ত গৌৰৱ অনুভৱ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও খেলুৱৈকেইগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰে। খেলুৱৈসকলৰ দক্ষতা, ধৈৰ্য্য আৰু আত্মনিবেদনৰ মনোভাৱক প্ৰধানমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰে।

০০০০০০০

তেলেংগানাৰ বিভিন্ন অঞ্চলত বৰ্তমান বৰষুণ নোহোৱা বাবে আৰু বানপানী ক্ৰমাৎ কমি যোৱা বাবে সাহায্য বিতৰণ কাৰ্যসূচীয়ে গতি লাভ কৰিছে। ৰাজ্যখনৰ খাম্মাম, মহবুবাবাদ আৰু সূৰ্যপেত জিলাকেইখনত বানপানী কমাৰ ফলত জনসাধাৰণে সকাহ লাভ কৰিছে। আনহাতে সিদ্দিপেত আৰু নিজামাবাদ এলেকাৰ কোনো কোনো অঞ্চলত কালি মুষলধাৰ বৰষুণ দিয়ে। সিদ্দিপেত জিলাৰ ক'হেডা অঞ্চলত ২১১ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ লগতে নিজামাবাদ জিলাতো যথেষ্ট বৰষুণ হয়।

০০০০০০০

লখিমপুৰত আজি ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। আজি বিয়লি ৫ বজাত আৰম্ভ হ'বলগীয়া এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৫ খন জিলালৈ যোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কালি বিয়লি লখিমপুৰত উপস্থিত হৈছে।

০০০০০০০

পেৰিছ অনুষ্ঠিত পেৰালিম্পিকছৰ আজি সপ্তম দিনা ভাৰতীয় খেলুৱৈসকল অধিক পদকৰ আশাৰে প্ৰতিযোগিতাত অৱতীৰ্ণ হব। পুৰুষৰ শ্বটপুটত শচীন খিলাড়ী, মহম্মদ য়াছেৰ আৰু ৰোহিত কুমাৰ আৰু ভাৰোত্তোলনত পৰমজিত কুমাৰ চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে শ্বুটিঙত নিহাল সিং আৰু ৰুদ্ৰাংশ খাণ্ডেলৱাল আৰু আৰ্চাৰীত হৰবিন্দৰ সিঙে দেশৰ হৈ পদক জয়ৰ চেষ্টাৰে অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে কালি ৫টা পদক জয়েৰে ভাৰতে এতিয়ালৈকে মুঠ ২০টা পদক লাভ কৰে। ইয়াৰ ভিতৰত ৩টা সোণ, ৮টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক।

০০০০০০০

সমাপ্ত